NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-04-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থানৰ নিৰ্বাচনী সভাত ২০২৪ চনৰ নিৰ্বাচনে বিকশিত ভাৰতক নতুন শক্তি প্ৰদান কৰিব বুলি প্ৰকাশ কৰে।

২। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি ৰাজস্থানৰ অনুকগড়ত দুখন ৰাজহুৱা সভাত ভাষণ দিয়ে।

৩। অহা ৭ মে'ত অনুষ্ঠিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব।

৪। আজি পৱিত্ৰ ঈদ-উল-ফিটৰ। ইছলাম ধৰ্মাৱলম্বী লোকসকলে পৱিত্ৰ ৰমজান মাহৰ এমহীয়া ৰোজাৰ অন্তত আজি সমূহীয়া নামাজ পঢ়িবলৈ ৰাজহুৱা ইদগাহ ময়দান আৰু মহজিদসমূহৰ চৌহদত সমৱেত হয়।

***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাই ৱাংখেড়ে ষ্টেডিয়ামত ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰু মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooooo

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থাৰন কাৰৌলীত অনুৰ্ষ্ঠিত নিৰ্বাচনী সভাত ভাষণ দি কয় যে, ২০২৪ চনৰ নিৰ্বাচনে বিকশিত ভাৰতক নতুন শক্তি প্ৰদান কৰিব। শ্ৰী মোদীয়ে কয় যে, কংগ্ৰেছে যিবোৰ সমস্যাক লৈ হাৰ মানিছিল বিগত ১০ বছৰত বিজেপিয়ে সেইবোৰ সমস্যাৰ সমাধান কৰিছে। কংগ্ৰেছে দশক দশক ধৰি গৰিবী হাতাঅ' শ্লোগান দিছিল যদিও এন ডি এ চৰকাৰেহে ২৫ কোটি ভাৰতীয়ক দৰিদ্ৰতাৰ পৰা উলিয়াই আনিছে বুলি নেতাগৰাকীয়ে উল্লেখ কৰে।

oooooooo

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এখন নিৰ্বাচনী সভাত ভাষণ দি কৈছে যে, বিজেপি চৰকাৰ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সদায় দৰিদ্ৰ আৰু কৃষকৰ স্বাৰ্থত কাম কৰি আহিছে। সমাগত লোকসভা নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে ৪০০ খনৰো অধিক আসন লাভ কৰিব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। শ্ৰী শ্বাহে লগতে কয় যে, কংগ্ৰেছ দলে ৭০ বছৰ ধৰি জাতিবাদ আৰু দুৰ্নীতিৰ ওপৰত ভিত্তি কৰি শাসন কৰি আছিল। কিন্তু বিজেপিৰ চৰকাৰে দেশৰ পৰা জাতিবাদ আৰু দুৰ্নীতি দূৰ কৰাৰ বাবে সদায় কাম কৰি যাব।

oooooooo

ছিকিমৰ এখন লোকসভা আসন আৰু ৰাজ্যিক বিধানসভাৰ ৩২ খন আসনৰ বাবে নিৰ্বাচনী প্ৰচাৰ ক্ৰমান্বয়ে তীব্ৰ হৈ উঠিছে। শাসকীয় ছিকিম ক্ৰান্তিকাৰী মৰ্চা, বিৰোধী দল ছিকিম ডেম'ক্ৰেটিক ফ্ৰণ্ট, বিজেপি, কংগ্ৰেছ আৰু

ছিটিজেন এক্সন পাৰ্টীয়ে অহা ১৯ এপ্ৰিলত হ'বলগীয়া নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। আজি গেংটকৰ মনন কেন্দ্ৰত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই দলৰ ছিকিম নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশৰ অনুষ্ঠানত ভাষণ দি কয় যে, ছিকিমৰ জনসাধাৰণে প্ৰয়োজনীয় সা-সুবিধা লাভ কৰাৰ বাবে দলটোক ভোট দিয়া প্ৰয়োজন। ছিকিমৰ জনসাধাৰণ মূল সুঁতিলৈ আহিব লাগিব বুলি উল্লেখ কৰি শ্ৰী নাড্ডাই কয় যে, নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপিয়েই হৈছে মূল সুঁতি। বিজেপিৰ সভাপতিগৰাকীয়ে ছিকিমৰ জনসাধাৰণক দুৰ্নীতি আৰু আঞ্চলিক দলসমূহক বিদায় দিবলৈ আহ্বান জনায়।

জে পি নাড্ডাই ছিকিমৰ জনসাধাৰণক শান্তি-প্ৰগতি আৰু উন্নয়নৰ আন্তঃগাঁথনিৰে এখন স্বচ্ছ আৰু জনমুখী চৰকাৰ প্ৰদান কৰাৰ আশ্বাস দিয়ে। নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশৰ অনুষ্ঠানত ছিকিমৰ বিজেপি প্ৰভাৰী ড০ দিলীপ জয়ছোৱাল আৰু ৰাজ্যিক পৰ্যায়ৰ নেতাসকলৰ উপৰি নিৰ্বাচনত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীসমূহো উপস্থিত থাকে। কালি সন্ধিয়া গেংটকত উপস্থিত হোৱা বিজেপিৰ সভাপতি গৰাকীয়ে দলৰ প্ৰাৰ্থী আৰু বিজেপি ছিকিম প্ৰদেশৰ কাৰ্যবাহী সদস্যকো সাক্ষাৎ কৰে।

০০০০০০০০

কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি ৰাজস্থানৰ অনুকগড়ত দুখন ৰাজহুৱা সভাত ভাষণ দিয়ে। ভাষণ প্ৰসংগত নেতাগৰাকীয়ে কয় যে, দেশত নিবনুৱা সমস্যা আৰু মুদ্ৰাস্ফীতিৰ দৰে দুটা গভীৰ সমস্যা থকাৰ পাছতো অন্যান্য বিষয়সমূহকহে গুৰুত্ব দিয়া হৈছে। ৰাহুল গান্ধীয়ে লগতে কয় যে দেশত পিছপৰা শ্ৰেণী, জনজাতি, দলিত, সংখ্যালঘু আৰু দৰিদ্ৰ লোকৰ সংখ্যা ৯০ শতাংশতকৈ অধিক। কিন্তু ভাৰতৰ ২০০টা বৃহৎ কোম্পানীৰ মালিক আৰু জ্যেষ্ঠ পৰিচালক পিছপৰা শ্ৰেণীৰ নহয়। তেওঁ কৈছে যে, দেশত ৩০ লাখ চৰকাৰী পদ খালী হৈ আছে। কংগ্ৰেছ চৰকাৰ আহিলে ৩০ লাখ লোকক চৰকাৰী চাকৰি দিয়া হ'ব আৰু ঠিকাভিত্তিত চাকৰি দিয়াটো বন্ধ কৰা হ'ব বুলি আজিৰ সভাত প্ৰতিশ্ৰুতি দিয়ে। অগ্নিবীৰ আঁচনিৰ সমালোচনা কৰি ৰাহুল গান্ধীয়ে কয় যে, কংগ্ৰেছ চৰকাৰ ক্ষমতালৈ আহিলে এই আঁচনি বাতিল কৰা হ'ব। দেশত লোকপিয়লৰ পোষকতা কৰি তেওঁ কয় যে, ভাৰতত কাৰ হাতত কিমান ধন-সম্পত্তি আছে সেইটো বিচাৰি উলিওৱাটো প্ৰয়োজনীয়। দেশৰ অধিকাংশ মূলধন দুই-এজন পুঁজিপতিৰ সৈতে আছে আৰু এই বৈষম্য দূৰ কৰিব লাগে বুলিও ভাষণ প্ৰসংগত কংগ্ৰেছ নেতাগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০

অহা ৭ মে'ত অনুষ্ঠিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব। এই পৰ্যায়ত দেশৰ ১০ খন ৰাজ্য তথা দুখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৪টা লোকসভা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। তৃতীয় পৰ্যায়ত অসমৰ লগতে পশ্চিমবংগৰ ৪ খন তথা গুজৰাটৰ ২৬, কৰ্ণাটকৰ ১৪, মহাৰাষ্ট্ৰৰ ১১, উত্তৰ প্ৰদেশৰ ১০, মধ্যপ্ৰদেশৰ ৮, ছত্তিশগড়ৰ ৭, বিহাৰৰ ৫, গোৱা আৰু দাদৰা আৰু নগৰহাৱেলি তথা দমন আৰু ডিউৰ দুখনকৈ আৰু জম্মু-কাশ্মীৰত এখন আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। মধ্যপ্ৰদেশৰ বেতুল সমষ্টিৰ স্থগিত ৰখা নিৰ্বাচনৰ বাবেও কাইলৈ অধিসূচনা জাৰি কৰা হ'ব। উল্লেখযোগ্য যে, তৃতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া বেতুল সংসদীয় সমষ্টিৰ নিৰ্বাচন বহুজন সমাজ পাৰ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীগৰাকীৰ মৃত্যুৰ বাবে স্থগিত ৰাখিবলগীয়া হৈছিল। অসমত এই পৰ্যায়ত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু

কোকৰাঝাৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ১৯ এপ্ৰিললৈ মনোনয়ন দাখিল প্ৰক্ৰিয়া অব্যাহত থাকিব। আনহাতে, ২২ এপ্ৰিল মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। অহা ৭ মে'ত তৃতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০০০

আজি পৱিত্ৰ ঈদ-উল-ফিটৰ। ইছলাম ধৰ্মাৱলম্বী লোকসকলে পৱিত্ৰ ৰমজান মাহৰ এমহীয়া ৰোজাৰ অন্তত আজি পুৱাই সমূহীয়া নামাজ পঢ়িবলৈ ৰাজহুৱা ইদগাহ ময়দান আৰু মহজিদসমূহৰ চৌহদত সমৱেত হয়। দিল্লীৰ জামে মছজিদ, ফাটেহপুৰী মছজিদ আৰু শ্বাহী ঈদগাহত ঈদৰ নামাজ আদায় কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঈদ-উল-ফিটৰ উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, এই উৎসৱে প্ৰেম, ভাতৃত্ববোধ আৰু একতাৰ বাৰ্তা প্ৰেৰণ কৰে। তেওঁ লগতে কৈছে যে, ঈদ হৈছে দৰিদ্ৰ আৰু বঞ্চিত লোকসকলক সহায় কৰাৰ উপৰি তেওঁলোকৰ সৈতে আনন্দ উপভোগ কৰাৰ সুন্দৰ সময়। এই উৎসৱে সকলোকে শান্তিপূৰ্ণ জীৱন-যাপন কৰিবলৈ আৰু সমাজৰ সমৃদ্ধিৰ বাবে কাম কৰিবলৈ প্ৰেৰণা যোগায় বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ বাৰ্তাটোত উল্লেখ কৰে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে ঈদ-উল-ফিটৰে আমাক উদাৰতা আৰু একতাৰ মূল্যবোধৰ কথা মনত পেলাই দিয়ে বুলি উল্লেখ কৰি দেশবাসীলৈ ঈদৰ শুভেচ্ছা জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৱিত্ৰ ঈদ-উল-ফিটৰে সমাজলৈ শান্তি, একতা আৰু গভীৰ মমতাবোধ কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে।

শান্তি আৰু সম্প্ৰীতিৰ বাৰ্তাৰে সমগ্ৰ দেশৰ লগতে অসমতো ইছলাম ধৰ্মাৱলম্বী লোকসকলে ঈদ-উল-ফিটৰ উদযাপন কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীলৈ সামাজিক মাধ্যমৰ জৰিয়তে ঈদ-উল-ফিটৰৰ শুভেচ্ছা জনাই কৈছে যে, এই পৱিত্ৰ উৎসৱে সকলোৰে মাজত শান্তি-সম্প্ৰীতি, সু-স্বাস্থ্য আৰু সুখ-আনন্দ কঢ়িয়াই আনিব।

০০০০০০০০

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কৈছে যে নৰেন্দ্ৰ মোদীৰ শাসনৰ সময়ছোৱাত অসমৰ ৮০ লাখ লোক দৰিদ্ৰতাৰ কবলৰ পৰা ৰক্ষা পৰে। ইফালে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশে গুৱাহাটীত এখন সংবাদ মেল অনুষ্ঠিত কৰি বিজেপিয়ে মিছা প্ৰতিশ্ৰুতি দিয়াৰ অভিযোগ উত্থাপন কৰে। কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন কুমাৰ বৰা, সাংসদ গৌৰৱ গগৈ আৰু অসম গণ পৰিষদৰ সভাপতি অতুল বৰায়ো কেইবাখনো নিৰ্বাচনী সভাত অংশ লয়। আম আদমী পাৰ্টীৰ নেতা তথা পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে কাইলৈ তিনিচুকীয়া আৰু শোণিতপুৰত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব বুলি জানিব পৰা গৈছে।

০০০০০০০০

কোকৰাঝাৰ আৰক্ষীয়ে নিষিদ্ধ সংগঠন কমতাপুৰ লিবাৰেচন অৰ্গেনাইজেছনৰ চাৰিটা উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰিছে। কোকৰাঝাৰ আৰক্ষী অধীক্ষকে জনোৱা মতে যোৱা বছৰ দোতমা বজাৰত গ্ৰেনেড নিক্ষেপ কৰাৰ সময়ত এই উগ্ৰপন্থীকেইটা বিভিন্ন অসামাজিক কাৰ্যকলাপত জড়িত হৈ থকাৰ অভিযোগ উত্থাপন হৈছিল। আজি আটাইকেইটা উগ্ৰপন্থীক মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হৈছে আৰু আদালতে চাৰি দিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰিছে। ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত আছে।

০০০০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত আজি মুম্বাই ৱাংখেড়ে ষ্টেডিয়ামত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত কালি নিশা জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে ৰাজস্থান ৰয়েলছক ৩ উইকেটত পৰাজিত কৰে। ১৯৭ ৰানৰ লক্ষ্যৰে খেলিবলৈ লোৱা গুজৰাট টাইটানছে খেলখনৰ অন্তিমটো বলত ৰছিদ খানৰ বাউণ্ডেৰীৰ সহায়ত ৭ উইকেটৰ বিনিময়ত ১৯৯ ৰান কৰি বিজয় সাব্যস্ত কৰে। দলটোৰ হৈ অধিনায়ক শুভমন গিলে ৪৪টা বলত ৭২ ৰানৰ বৰঙনি আগবঢ়ায়।

oooooooo

সমাপ্ত